অধ্যায় ৫ ঃ অসমীয়া লোকসংস্কৃতিত অষ্ট্রিক আৰু মংগোলীয় উপাদান

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অসমত বসবাস কৰা অষ্ট্রিকসকল

৫.৪ অসমীয়া লোকসংস্কৃতিত অষ্ট্রিক উপাদান

- ৫.৪.১ ভাষিক অৱদান
- ৫.৪.২ উৎসৱ-পার্বণ
- ৫.৪.৩ লোকবিশ্বাস
- ৫.৪.৪ সামাজিক প্রথা
- ৫.৪.৫ ভৌতিক সংস্কৃতি

৫.৫ মংগোলীয় জনগোষ্ঠীসমূহৰ চমু পৰিচয়

৫.৬ অসমীয়া লোকসংস্কৃতিত মংগোলীয় উপাদান

- ৫.৬.১ মৌখিক সাহিত্য
- ৫.৬.২ ভৌতিক সাহিত্য
- ৫.৬.৩ সামাজিক লোকাচাৰ
- ৫.৬.৪ লোক-পৰিৱেশ্য কলা
- ৫.৬.৫ ভাষা সাহিত্য আৰু অন্যান্য দিশত অৱদান

৫.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.১০ আর্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত অষ্ট্রিকসকলৰ বসতিৰ ঐতিহাসিক ৰূপৰেখা জানিব পাৰিব
- অসমীয়া সংস্কৃতিত অষ্ট্রিকসকল অংশগ্রহণৰ প্রক্রিয়াৰ ধাৰণা লাভ কৰিব
- অসমীয়া লোকসংস্কৃতিৰ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ ইত্যাদি বিভিন্ন দিশত অষ্ট্রিকসকলৰ লোক-সাংস্কৃতিক উপাদান কিদৰে সংমিশ্রিত হৈ আছে তাৰ আভাস পাব।
- মংগোলীয়সকল কোন আৰু ক'ৰ পৰা আহিছিল সেই বিষয়ে জানিব পাৰিব
- অসমীয়া সংস্কৃতিত মংগোলীয়সকলৰ প্রভাৱ সম্পর্কে জানিব পাৰিব

- অসমীয়া লোকসংস্কৃতিৰ কোনবোৰ দিশত মংগোলীয়সকলৰ উপাদান নিহিত হৈ আছে সেই বিষয়ে বিতংকৈ জানিব পাৰিব
- অসমীয়া সংস্কৃতিৰ লগত মংগোলীয় সংস্কৃতিৰ সমন্বয়ৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

৫.২ পৰিচয়

'অসমীয়া সংস্কৃতি' শীৰ্ষক চতুৰ্থ পাঠ্যবিষয়ৰ এইটো ষষ্ঠ অধ্যায়। ইয়াৰ আগৰ অধ্যায়টোত অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীয় অৱদানৰ বিষয়ে আলোচনা কৰা হ'ল। ইয়াত সেই নৃগোষ্ঠীসমূহৰ অন্যতম অষ্ট্রিকসকলৰ অৱদানৰ বিষয়ে আলোচনা কৰা হ'ব।

৫.৩ অসমত বসবাস কৰা অষ্ট্রিকসকল

অসমলৈ পোনতে প্ৰব্ৰজন কৰা নৃগোষ্ঠীটো হ'ল অষ্ট্রেলীয় গোষ্ঠী। এই গোষ্ঠীটোক প্ৰাক্-দ্ৰাবিড়, প্ৰাক্-অষ্ট্রেলীয়, ভেদ্দীদ, নিষাদ ইত্যাদি ভিন্ন নামেৰেও জনা যায়। প্ৰাচীন সংস্কৃতি গ্ৰন্থত এই লোকসকলক নিষাদ বুলি উল্লেখ কৰিছে। শাৰীৰিকভাৱে এই লোকসকল বৰ চুটি-চাপৰ আৰু খৰ্ববাসৰ; কপাল উচ্চ, নাসিকা নিম্ন চূড়ায়িত, চকু ৰঙা, চুলি তামবৰণীয়া আৰু বক্ৰ, দাঁড়ি-গোফ বৰ ঘন, শৰীৰত নোমৰ প্ৰাচুৰ্য, মস্তক দীৰ্ঘ, থুঁতৰি অনুন্নত, খৰ্বকায় আৰু ক্ষীণকায়।

অসমত বৰ্তমান অষ্ট্রেলীয় প্ৰজাতিৰ লোক বিচাৰি পোৱা নাযায়। প্ৰাগৈতিহাসিক কালতে অষ্ট্রেলীয়সকলে অসমলৈ প্ৰব্ৰজন কৰিছিল যদিও সম্ভৱতঃ এটা সময়ত এই লোকসকলৰ প্ৰব্ৰজন বন্ধ হৈ গৈছিল। পৰৱৰ্তী সময়ত অসমলৈ অহা মঙ্গোলীয় তথা আলপাইন আৰু আৰ্য্য নৃগোষ্ঠীৰে সৈতে অষ্ট্রেলীয়সকল সংমিশ্ৰিত হৈ পৰিল। মন কৰিবলগীয়া যে মঙ্গোলীয় মূলীয় খাছীসকলৰ ভাষাৰ সৈতে অষ্ট্রেলীয়ৰ ওচৰ সম্পৰ্ক আছে। ড° এচ. কে. চেটাৰ্জীৰ মতে— "It has been thought exceedingly likely that the speech family known as Austric was associated with the pro-Austroloids." অষ্ট্রেলীয় প্ৰজাতিৰ ভাষা-সংস্কৃতিয়ে পিছলৈ অষ্ট্রিক মানুহ, ভাষা আৰু সংস্কৃতি বুলি পৰিগণিত হয়। পোনপটীয়াকৈ অষ্ট্রেলীয় সংস্কৃতিয়েই অষ্ট্রিক সংস্কৃতি। সেয়ে অষ্ট্রিকৰ প্ৰজাতিগত উপাদান বুলিলে অষ্ট্রেলীয় প্ৰজাতিৰ কথা কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমলৈ পোনতে কোনটো নৃগোষ্ঠীয়ে প্ৰব্ৰজন কৰিছিল? এই গোষ্ঠীটোক আৰু কি কি নামেৰে জনা যায়? তেওঁলোকৰ শাৰীৰিক অবয়ব কেনেকুৱা? অসমলৈ কোন সময়ত আহিছিল? (৫০টা শব্দৰ ভিতৰত লিখক)

অষ্ট্রিক অথবা অষ্ট্রেলীয়সকলৰ বসবাস যিহেতু অসমত দীঘলীয়া নহয়, তাৰউপৰিও

পৰৱর্তী সময়ত মঙ্গোলীয়, আর্য্যসকলৰ সৈতে বিমিশ্রণ ঘটিল সেইবাবে তেওঁলোকৰ সাংস্কৃতিক প্রভাবো সীমিত ক্ষেত্রলৈহে বিস্তাৰিত হৈছিল। এই সম্পর্কে তলত আলোচনা কৰা হ'ল।

৫.৪ অসমীয়া লোকসংস্কৃতিলৈ অষ্ট্রিকসকলৰ অৱদান

৫.৪.১ ভাষিক অৱদান

ভাষাৰ ক্ষেত্রত অষ্ট্রিকসকলৰ অৱদান গুৰুত্বপূর্ণ। তলত এই সম্পর্কে আলোচনা যুগুতোৱা হ'ল—

১) এচ. কে. চেটার্জীৰ মতে নদীবাচক 'গঙ্গা' শব্দটো অষ্ট্রিকপৰা আহিছে। গঙ্গা শব্দটো নদীবাচক হোৱা বাবেই এসময়ত মানুহে কৰতোৱা গঙ্গা, মন্দাকিনী গঙ্গা, আকাশীগঙ্গা, বৰগঙ্গা, বুঢ়ীগঙ্গা আদি নাম ব্যৱহাৰ কৰিছিল।

২) পানী বুজাবলৈ ব্যৱহৃত 'ডি' শব্দটো মূলতঃ অষ্ট্রিক। তাৰ উপৰি পানী বুজোৱা -হো, -হোং, -তয় আদি প্রত্যয়ৰে অসমৰ বহু নদীৰ নাম পোৱা যায়।

৩) -তা, -তে আদি প্রত্যয়াংশৰে সৃষ্টি হোৱা বহু ঠাইৰ নাম অষ্ট্রিক মূলৰ বুলি অনুমান কৰা হয়; যেনে— চামতা, বকতা আদি।

৪) পর্বত, পাহাৰৰ লগত সম্পর্কিত শব্দ; যেনে— পাহাৰ, টিলা, টিং, মৈদাম, ঢিপ আদি শব্দসমূহ অষ্ট্রিক মূলীয় বুলি বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে।

৫) অষ্ট্রিকসকলে পোনপ্রথমে অসমত কৃষি সংস্কৃতিৰ পাতনি তৰিছিল। সেয়ে খেতিৰ লগত জড়িত শব্দ; যেনে— 'নাঙল', 'জহা' ধান, হালধি, নাৰিকল, বেঙেনা আদি শব্দকেইটাও অষ্ট্রিক মূলীয়।

৬) বস্ত্রশিল্পৰ লগত জড়িত আঁচুসূতা, কিংখাপ আদি শব্দৰ মূল অষ্ট্রিক।

৭) অসমীয়া 'গুৱা' শব্দটো অষ্ট্রিক মূলীয় খাছী ভাষাৰ 'কুৱা'ৰ পৰা অহা। সেইদৰে গুৱাহাটী শব্দটোতো অষ্ট্রিকৰ প্রভাৱ অনুভূত হয়।

৮) অসমীয়া মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰা মেচাকি, মেজেঙ্গা, নেফাফু, থেকেৰা, লফা, মছন্দৰী, ঔ আদি শব্দও অষ্ট্রিক মূলীয়।

৯) চিকাৰৰ বিভিন্ন সঁজুলিৰ নাম; যেনে— ধনু, নিচান, বাটলুগুটি আদি অষ্ট্রিক মূলীয়।

১০) অষ্ট্রিকসকলেই পোনতে বনৰীয়া হাতী ঘৰচীয়া কৰিছিল। হাতীৰ লগত জড়িত গজ, মাতঙ্গ আদি শব্দবোৰ অষ্ট্রিকমূলৰ হোৱাৰ লগতে মখনা, মাখুন্দী, ফান, ফঁই আদিবোৰো অষ্ট্রিকৰ পৰা পোৱা যেন অনুভূত হয়। তাৰ উপৰি বিভিন্ন জীৱ-জন্তুবাচক শব্দৰ নাম তেওঁলোকৰ পৰাই আহিছে। তেনে কিছুমান শব্দ হ'ল— মেথোন, ভুৰা, জহামাল, কেৰ্কেটুৱা, হেপা, কুকুৰনেচীয়া, ঢেকীয়াপতীয়া, লতামাকৰী, নাহৰফুটুকী, লতাফুটুকী, ৰাংকুকুৰ, কামচৰাই, কপৌ, টিয়া, ভাটৌ

আদি উল্লেখযোগ্য।

১১) বিভিন্ন গছ-গছনিৰ নাম অষ্ট্রিক মূলৰ পৰা অহা। গছ-গছনি বুজোৱা বিভিন্ন শব্দ; যেনে— হোলোং, পমা, উৰিয়াম, থৈলাঙনি, ফাকডেমা, ভাতঘিলা, শলখ আদি শব্দও অষ্ট্রিক ভাষাৰ পৰা আহিছে।

১২) বিভিন্ন পোক-পৰুৱা; যেনে— কোদোঁ, কুমজেলেকুৰা, তেজপিয়া, চিকৰা, উঁই আদিও অষ্ট্রিক ভাষীয়ে দিয়া নাম।

১৩) অসমীয়া ভাষাৰ কেতবোৰ সম্বন্ধবাচক শব্দ যেনে— আতা, আবু, বোপাই, আই, ককাই, বাই, বেটী আদি অষ্ট্রিকৰ পৰা অহা বুলি অনুমান কৰা হৈছে।

১৪) শৰীৰৰ অঙ্গ-প্রত্যঙ্গ বুজোৱা শব্দ; যেনে— চেলাউৰি, কাষলতি, গোৰোহা আদি শব্দ অষ্ট্রিক ভাষাৰ। ইয়াৰ উপৰি নৰ-নাৰীৰ গুপ্তাঙ্গসূচক শব্দসমূহো অষ্ট্রিক মূলৰ।

১৫) বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, বাঁহৰ লগত জড়িত কিছুমান শব্দ; যেনে— বাঁটলা, জঁপা, জেং, টোপা, পাচি, টোকোন, বাও (খৰাহি-পাচিৰ) ইত্যাদি অষ্ট্রিক মূলীয়।

১৬) অষ্ট্রিকসকলৰ লিপিৰ জ্ঞান আছিল। বাণীকান্ত কাকতিৰ মতে 'কায়স্থ' শব্দটো অষ্ট্রিকৰ সংস্কৃতীয়া ৰূপ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া ভাষালৈ অষ্ট্রিকসকলৰ অৱদান সম্পর্কে আলোচনা কৰক। (৩০০টা শব্দৰ ভিতৰত লিখক)

৫.৪.২ উৎসৱ-পার্বণ

মাতৃতান্ত্রিক অষ্ট্রিক সমাজখনত মাতৃপূজাৰ প্রাধান্য দেখা যায়। তাম্রেশ্বৰী দেৱী অষ্ট্রিকসকলৰে। কোনো কোনোৱে যোনি পূজা তেওঁলোকৰ অৱদান বুলি ক'ব খোজে। কামাখ্যা ধামত যোনি পূজাৰ প্রচলন আছে। বাণীকান্ত কাকতিয়ে অষ্ট্রিকসকলৰ মাতৃ পূজাই পৰৱর্তী কালত কামাখ্যা মাতৃৰ পূজাত পৰিণত হয় বুলি মত পোষণ কৰিছে। তেনেদৰে দুর্গা পূজাত অঙ্কিত 'সর্বতোভদ্রমণ্ডল' প্রকৃততে নাৰীৰ জননাঙ্গৰ প্রতীক। যোনি পূজাৰ সমান্তৰালে অষ্ট্রিকসকলৰ মাজত লিঙ্গ পূজাৰো বহুল প্রচলন আছিল। 'যোগিনীতন্ত্র'ই অসমত অসংখ্য শিৱলিঙ্গ থকাৰ প্রমাণ দিয়ে। নামনি অসমৰ 'ভঠেলী', 'পাউৰা তোলা' আৰু 'দহৰ ফুৰোৱা' অনুষ্ঠানৰ সু-সজ্জিত বাঁহডাল লিঙ্গৰ প্রতীক বুলি চিড্‌নী এন্দ্‌লেই মত দিছে। অষ্ট্রিকসকলৰ মাজত প্রচলিত আন এবিধ উৎসৱ হ'ল সর্প পূজা। এই সর্প পূজাই পৰৱর্তী কালত অসম তথা অন্যান্য প্রদেশত মনসা পূজালৈ ৰূপান্তৰিত হয়। প্রকৃততে এই সর্প পূজা অথবা মনসা পূজা অষ্ট্রিক সমন্বিতে অন্যান্য নৃগোষ্ঠীয় আদিম স্তৰত প্রজননৰ উদ্দেশ্যৰে পালন কৰা মেজিকধর্মী

পূজা। অসমকে ধৰি ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্য কেইখনত এনে মেজিকধর্মী অনুষ্ঠানৰ পয়োভৰ দেখা যায়। ৰাভাসকলৰ 'খোক্‌চি' পূজাত মাটিৰ মণ্ডপ কৰি তাত যোনি আকৃতিৰ শিল এটুকুৰা প্রতিষ্ঠা কৰি পূজা-অর্চনা কৰা হয়।

৫.৪.৩ লোকবিশ্বাস

আদিম নৃগোষ্ঠীসকল জীৱবাদত বিশ্বাসী আছিল। অষ্ট্রিকসকলেও জীৱবাদত বিশ্বাস কৰি চাক্ষুস পৃথিৱীখনৰ সমগ্রতে জীৱ আছে বুলি ধৰি লৈছিল। ফলস্বৰূপে পর্বত-পাহাৰ, অগ্নি, শিল, পানী, বৃক্ষ সকলোতে জীৱত্ব আৰোপ কৰি সেইবোৰক পূজা কৰিছিল। তেনেদৰে ভূত-প্রেত, ডাইনী, যখিনী, দেও, বীৰা আদি অপদেৱতাত বিশ্বাসী হৈ এইবোৰৰো পূজা কৰিছিল। অসমীয়া সমাজত আদিম অষ্ট্রিক সমাজখনৰ এনেবোৰ বিশ্বাস বর্তমানেও প্রচলিত। বড়োসকলৰ বাথৌ পূজাত সিজু গছ আৰু তুলসী গছ বাথৌৰ বেদীৰ সোঁমাজত ৰোপণ কৰি বিভিন্ন আচাৰ-পদ্ধতিৰে পূজা-অর্চনা কৰে। মাৰৈপূজাত সর্পৰ লগতে সিজু গছকো পূজা কৰে। কাতি বিহুৰ সময়ত তুলসী গছৰ তলত চাকি-বস্তি জ্বলোৱা প্রথা প্রকৃততে বৃক্ষ পূজাৰেই অন্য ৰূপ। তেনেদৰে বিভিন্ন নদ-নদীক দেৱ-দেৱীৰ ৰূপত পূজা কৰা প্রথা অসমত প্রচলিত। জলদেৱতাক সন্তুষ্ট কৰাৰ অর্থে প্রাচীন অসমত সুন্দৰী অর্পণ কৰাৰ জনশ্রুতিও বিদ্যমান। তেনেদৰে খোবা-খুবী অসমীয়া সমাজৰ অন্যতম অপদেৱতা ৰূপে বিশ্বাস কৰা হয়।

অষ্ট্রিকসকল টোটেমবাদত বিশ্বাসী আছিল। টোটেম মানে প্রতীক বা চিহ্ন। আদিম জনগোষ্ঠীবোৰে স্বগোষ্ঠীটোৰ উৎপত্তি কোনো গছ-গছনি, জীৱ-জন্তু অথবা চৰাই-চিৰিকতিৰ পৰা হোৱা বুলি বিশ্বাস কৰে। ইয়াৰে যিটোকে স্বগোষ্ঠীৰ জন্মদাতা বুলি ভাবে সেই বস্তুবিধৰ টোটেম (প্রতীক)টো ঘৰৰ বেৰত, কাঠত অথবা নিজৰ গাত আঁকি লয়। বড়ো-কছাৰীসকলৰ মাজৰ 'মুছাহাৰী' গোষ্ঠীটোৱে নিজকে বাঘৰ বংশধৰ বুলি ভাবে। আকৌ বড়োসকলৰে কিছু সংখ্যকে নিজকে সিজু গছৰ বংশধৰ বুলি বিশ্বাস কৰে। এওঁলোকে নিজৰ নিজৰ টোটেমক শ্রদ্ধা আৰু উপাসনা কৰে। টোটেম ভক্ষণ নিষিদ্ধ।

উর্বৰা লোকবিশ্বাসৰ ওপৰত অষ্ট্রিকসকলে অধিক গুৰুত্ব দিয়ে। এই বিশ্বাসৰ সৈতে মেজিকধর্মী বিশ্বাস পৰম্পৰা সম্পর্কিত। জেমচ ফ্রেজাৰে মেজিকৰ উৎসৰ সম্পর্কত দুটা কথা কৈছে, প্রথমতে, বাস্তৱ ঘটনাৰ অনুকৰণত তাৰ অনুৰূপ ফল আকাংক্ষা, দ্বিতীয়তে, দুটা বস্তুৰ মাজত সংস্পর্শ থাকিলে পিছলৈ দুয়োটাৰে মাজত দূৰত্ব আহি পৰিলেও এটাৰ ওপৰত আনটোৰ ক্রিয়া সক্রিয় হৈ থাকে। উর্বৰা লোকবিশ্বাসৰ সৈতে ফ্রেজাৰে কোৱা প্রথমটো মন্তব্য নিবিড়ভাৱে জড়িত। নাৰী আৰু পৃথিৱী উভয়ৰে উৎপাদন ক্ষমতা আছে। নাৰীৰ যি ক্রিয়াৰ ফলত প্রজনন হয় তেনে ধৰণৰ ক্রিয়া-কলাপ পৃথিৱীৰ সন্মুখত পালন কৰি উর্বৰতা বৃদ্ধিৰ কামনা কৰা হয়।

সেয়ে বিভিন্ন জনগোষ্ঠীৰ মাজত ডেকা-গাভৰুৰ অবাধ যৌন মিলনক অগ্রাধিকাৰ দিয়া প্রথা প্রচলিত। উৰিষ্যাৰ অষ্ট্রিক প্রজাতিৰ ভুইয়াসকলৰ মাজত মাঘ পোৱাই নামৰ বসন্ত উৎসৱৰ বেলিকা তেজৰ সম্পর্ক বা স্বামী বুলি কাকো গণ্য কৰা নহয় আৰু পুৰুষ-নাৰীয়ে অবাধ যৌন সংগমত লিপ্ত হয়। এনে মেজিকধর্মী উর্ব্বৰা লোকবিশ্বাসৰ বাবেই ৰঙালী বিহুত ঢোল-টকা-পেঁপা বজাই ডেকা-গাভৰুৱে যৌনউদ্দীপক বিহুনাচ নচা প্রথা অসমত প্রচলিত।

কণীক প্রজননৰ প্রতীক হিচাপে অষ্ট্রিকসকলে বিশ্বাস কৰে। অসমীয়া সমাজৰ দৃষ্টিটো কণী প্রজননৰ প্রতীক। বিবাহ কার্যত দৰা-কইনাৰ প্রজনন ক্ষমতাৰ কামনা কৰিয়েই বেইৰ তলত কণী পোতা প্রথা অসমীয়া সমাজত আজিও বিদ্যমান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অষ্ট্রিকসকল কেনে ধৰণৰ লোকবিশ্বাসত বিশ্বাসী আছিল? অসমীয়া সংস্কৃতিত তেনে লোকবিশ্বাসসমূহৰ কেনে ধৰণৰ প্রভাৱ পৰিলক্ষিত হয় লিখক। (২০০টা শব্দৰ ভিতৰত লিখক)

৫.৪.৪ সামাজিক প্রথা

ভাষাৰ সমান্তৰালে অসমীয়া সমাজ ব্যৱস্থাত অষ্ট্রিকৰ প্রভাৱ মন কৰিবলগীয়া। অষ্ট্রিক সমাজ মাতৃতান্ত্রিক আছিল। অসমীয়া জনজাতীয় সমাজত মাতৃতন্ত্রৰ প্রাধান্য মন কৰিবলগীয়া। অজনজাতীয় সমাজখনতো কিছু পৰিমাণে মাতৃতন্ত্রৰ প্রভাৱ লক্ষ্য কৰা যায়। মাতৃতন্ত্রৰ প্রাধান্যৰ বাবেই অসমীয়া সমাজত নাৰীৰ স্বকীয় গুৰুত্ব বিদ্যমান। অষ্ট্রিক সমাজত বৈবাহিক ক্ষেত্রত কন্যাৰ ঘৰত শাৰীৰিক শ্রমদান কৰাৰ পিছতহে পুৰুষে ভার্যা লাভ কৰিবলৈ সমর্থ হৈছিল। পুৰণি অসমীয়া সমাজখনতো তেনে প্রথা প্রচলন আছিল। দৰাপক্ষই কইনা ঘৰলৈ জোৰোণ নিয়া প্রথা বর্তমানেও প্রচলিত। অসমীয়া হিন্দু সমাজত প্রচলিত ঢোকা আৰু ধেমনী প্রথাত মাতৃতন্ত্রৰ প্রাধান্য বিদ্যমান।

মাঙ্গলিক কার্যত সেন্দূৰ আৰু হালধিৰ প্রয়োগ অষ্ট্রিক সমাজত থকাৰ দৰে অসমীয়া সমাজতো আছে। দেৱতাৰ সন্মুখত বলি দিয়া জীৱ-জন্তুৰ তেজ অষ্ট্রিকসকলে কপালত সানিছিল, যিটো প্রথা বর্তমানেও অসমীয়া সমাজত প্রচলিত। দুর্গা পূজা, কালী পূজা, কামাখ্যাধামত দিয়া বলিৰ তেজ এতিয়াও কপালত সনা দেখা যায়। তাৰ উপৰি সম্ভৱতঃ কপালত বলিৰ তেজ সনা প্রথাটোৰ উন্নীতকৰণ ৰূপ সেন্দূৰ হ'বও পাৰে। বিবাহিতা নাৰীয়ে সেন্দূৰ লয় আৰু মন্দিৰৰ বিগ্রহত সেন্দূৰ সনা হয়। অষ্ট্রিকসকলৰ মাজত প্রচলিত সর্প পূজাত নৰবলি দিয়া প্রথাৰ লগত কার্বিসকলৰ ৰংকেৰ পূজা,

বড়োসকলৰ মাৰাই, ৰাভাসকলৰ বৰমানী পূজাৰ নৰবলিৰ সৈতে সাদৃশ্য আছে। অৱশ্যে বর্তমান নৰবলি প্রথা বিলুপ্ত।

অষ্ট্রিক সমাজত মৃতকক সৎকাৰ কৰা হয়। সৎকাৰ কৰা স্থানত থিয়ৈ শিল পোতা ৰীতি তেওঁলোকৰ মাজত প্রচলিত। তদ্রুপ অসমীয়া সমাজতো মৃতকৰ সৎকাৰ কৰা স্থানত শিলৰ পৰিৱর্তে জেং দিয়া প্রথা প্রচলিত।

অসমীয়া সমাজত তামোল-পাণৰ ব্যৱহাৰ অষ্ট্রিকৰ অৱদান বুলি ভাবিবৰ থল আছে; অষ্ট্রিক প্রজাতিৰ খাছীয়া-জয়ন্তীয়াসকলৰ মাজত তামোল-পাণৰ ব্যৱহাৰ অত্যাধিক। অসমীয়া সমাজত আলহী-অতিথি আহিলে পোনতে তামোল-পাণ যচা হয়, বিয়াৰ নিমন্ত্রণ কৰা, কোনো গুৰুতৰ অপৰাধৰ পৰা পৰিত্রাণ পাবলৈ হ'লে তামোল-পাণেৰেই ৰাইজৰ সন্মুখত আঠু লোৱা নিয়ম অসমীয়া সমাজত প্রচলিত। উৎসৱ-অনুষ্ঠানত তামোল-পাণ নহ'লেই নচলে। মুঠতে নিভাঁজ অসমীয়া পৰিয়ালত পুৱাৰ পৰা ৰাতিলৈকে তামোল-পাণৰ গুৰুত্ব অপৰিসীম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সামাজিক প্রথাৰ ক্ষেত্রত অষ্ট্রিক আৰু অসমীয়া সমাজৰ সাদৃশ্যসমূহৰ বিষয়ে চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত লিখক)

৫.৪.৫ ভৌতিক সংস্কৃতি

অষ্ট্রিকসকলে হাতেৰে মাটিৰ পাত্র গঢ়িছিল। কাঠৰ সামগ্রীৰ বহুল ব্যৱহাৰ তেওঁলোকৰ মাজত আছিল। উৰাল, নেওঠনি, যঁতৰ, ডিঙা, ঢোল, পীৰা, বটা আদিৰ প্রচলন অষ্ট্রিকৰ নিচিনা অসমীয়া সমাজতো আছে। পানীত যাতায়তৰ বাবে কুন্দানাও, ডিঙা সাজি লৈছিল। অসমীয়া সমাজত এই দুয়োটাৰে প্রভাৱ বর্তমানেও আছে। কৃষি-সংস্কৃতিৰ জনক অষ্ট্রিকসকল 'নাঙল'ৰ প্রস্তুতকর্তা। নাঙলেৰে মাটি চহাই কৃষি কৰা কার্য অষ্ট্রিকসকলৰ। অসমীয়াসকলো কৃষিজীৱী আৰু কৃষিজীৱী হিচাপে নাঙলেৰে মাটি চহোৱা প্রণালী এওঁলোকৰ মাজত বিৰাজমান। বস্ত্রশিল্পৰ ক্ষেত্রতো অষ্ট্রিকসকল চহকী। আঁচুসূতা, কিংখাপ বস্ত্রশিল্পৰ সৈতে জড়িত এই দুবিধ সামগ্রীৰ উদ্ভাৱক অষ্ট্রিকসকল। অসমীয়া সমাজো বস্ত্রশিল্পত চহকী। অতি প্রাচীন কালৰপৰা এই শিল্পবিধৰ সৈতে অসমীয়া শিপিনীসকল ওতঃপ্রোতভাৱে জড়িত। প্রতিগৰাকী অসমীয়া নাৰীয়েই এসময়ত শিপিনী আছিল। যি নাৰী শিপিনী নহয় তেওঁলোকক 'থুপুৰী' বুলি তিৰস্কাৰ কৰা হৈছিল।

৫.৫ মংগোলীয় জনগোষ্ঠীসমূহৰ চমু পৰিচয়

অসমত তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ মানুহ সর্বাধিক। এই লোকসকল আদিতে হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ ওচৰৰ চীন দেশৰ উত্তৰ-পশ্চিম অঞ্চলৰ বাসিন্দা আছিল বুলি কোৱা হয়। তাৰ পৰা তেওঁলোকৰ এটা দলে এসময়ত দক্ষিণলৈ প্রব্রজন কৰি ব্রহ্মদেশৰ (বর্তমানৰ ম্যানমাৰ) উত্তৰাঞ্চলত উপনীত হয়। ইয়াৰ পৰা তেওঁলোকৰ এটা দলে হিমালয়ৰ নামনি অঞ্চলেৰে পশ্চিমলৈ গতি কৰে। এই দলৰে কোনো লোকে পিছত অসমলৈ গতি কৰে। নৃতাত্ত্বিক জাতি-গোষ্ঠীৰ বিচাৰত অসমৰ তিব্বত-বর্মীয় ভাষিক গোষ্ঠীৰ লোকসকলক মঙ্গোলীয় গোষ্ঠীত ধৰা হয়।

তিব্বত-বর্মীয় ভাষিক গোষ্ঠীক প্রধানকৈ চাৰিটা শাখাত ভাগ কৰা হয়— তিব্বতী, হিমালয়ী, উত্তৰ অসম আৰু অসম বর্মী। তিব্বতী আৰু হিমালয়ী শাখাৰ লোকৰ সংখ্যা অসমত তাকৰ। উত্তৰ অসম শাখাৰ অঁকা (হ্রুচু), ডফলা (নিচি), আবৰ (আদী), মিৰি (মিচিং) ইত্যাদিয়েই প্রধান। অসম-বর্মীৰ বড়ো-নগা আৰু কুকি-চীন দুটা শাখা। বড়োৰ ভিতৰত বড়ো, কছাৰী, লালুং, তিৰা, মেচ, চুতীয়া, ৰাভা, গাৰো ইত্যাদি অন্যতম। নগা শাখাৰ ভিতৰত আও, আঙ্গামী, লোঠা, ছেমা, নক্তে, ৰাংচু ইত্যাদি ভিন্ ভিন্ উপজাতিৰ নগাসকল পৰে। বড়ো-নগাৰ মাজতে কার্বি বা মিকিৰসকল পৰে। কুকি চীন শাখাৰ মেইতেই (মণিপুৰী) লুলু-কোচিন বা চিংফৌ ইত্যাদি।

অসমত তিব্বত-বর্মীয় শাখাৰ মিচিং লোকসকল বর্তমান তিনিচুকীয়া, ডিব্রুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ, লখিমপুৰ, ধেমাজি জিলাত বসবাস কৰি আছে। তিব্বত-বর্মীয় শাখাৰ গাৰোসকল বর্তমান অসমৰ কামৰূপ, গোৱালপাৰা, খাছীয়া পাহাৰত বসবাস কৰা দেখা যায়। বর্তমান অসমৰ লখিমপুৰ, ধেমাজি, তিনিচুকীয়া, ডিব্রুগড়, শিৱসাগৰ, গোৱালপাৰা, যোৰহাটত সোণোৱাল-কছাৰীসকলে বসবাস কৰি আছে। জনসংখ্যাৰ ফালৰ পৰা অসমৰ জনজাতিসকলৰ ভিতৰত তৃতীয় বৃহৎ জনগোষ্ঠী তিৰা বা লালুং জনজাতিৰ লোকসকল বর্তমান অসমৰ নগাঁও, কামৰূপ, উত্তৰ লখিমপুৰ, মৰিগাঁও, ধেমাজি, কার্বি আংলং আদি বিভিন্ন ঠাইত বসবাস কৰি আছে। কার্বিসকল বর্তমান অসমৰ কার্বি আংলং জিলাৰ উপৰিও নলবাৰী, মৰিগাঁও, কামৰূপ, শোণিতপুৰ, গোৱালপাৰা, উত্তৰ লখিমপুৰ, উত্তৰ কাছাৰ আৰু কাছাৰ জিলাত বসবাস কৰি আছে। তিব্বত-বর্মীয়সকলৰ প্রধান ভাষিক গোষ্ঠী বড়ো-কছাৰীসকল অসমৰ ব্রহ্মপুত্র উপত্যকাৰ কাছাৰ জিলা, ত্রিপুৰা আৰু উত্তৰ বংগ, দক্ষিণ নেপালত বাসস্থান আছে। এওঁলোকে নিজকে প্রকৃতিৰ সন্তান হিচাপে মানি লৈছিল, সেয়ে অধিকাংশই পর্বত-পাহাৰ, নদীৰ পাৰত বাস কৰি আছে। ৰাভাসকলে ঘাইকৈ অসমৰ কামৰূপ, গোৱালপাৰা, দৰং আৰু গাৰোপাহাৰ এই চাৰিখন জিলাতেই বাস কৰে।

ৰাভাসকলৰ নিজস্ব এটা ভাষাও আছে। ৰাভাসকলৰ ভাগ কেইবাটাও— ৰংদানী, পাতি, মাইটোৰী, বিটলিয়া, হানা, চোঙা, টোটলা, দাহুৰি, মদাহী ইত্যাদি। তিব্বত-বর্মীয় ভাষিক গোষ্ঠীৰ আন লোকসকলো অসমৰ ভিন্ন ভিন্ন ঠাইত সিঁচৰতি হৈ আছে।

৫.৬ মংগোলীয় জনগোষ্ঠীসমূহৰ চমু পৰিচয়

সংস্কৃতিৰ এটা উল্লেখযোগ্য বিশেষত্ব হৈছে ই সমন্বয়ৰ প্ৰৱণতা প্ৰকাশ কৰে। বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণেই হ'ল অসমীয়া জাতি। সেয়ে ক'ব পাৰি যে বিভিন্ন জাতি-উপজাতিৰ সংস্কৃতিৰ সংমিশ্ৰণেই হ'ল অসমীয়া সংস্কৃতি। এই ক্ষেত্ৰত বিৰিঞ্চি কুমাৰ বৰুৱাই এঠাইত লিখিছে— "আধুনিক অসমীয়া সংস্কৃতি ঘাইকৈ আর্য্য সংস্কৃতিৰ ওপৰত কেন্দ্ৰ কৰি গঢ় লৈছে। অৱশ্যে আর্য্য সংস্কৃতিৰ বাহিৰেও বিভিন্ন জনজাতিয়ে যুগে যুগে অসমীয়া সংস্কৃতিক বিশেষভাৱে পৰিপুষ্টি কৰিছে।"

অসমৰ বর্ণিল সংস্কৃতিত এটা উল্লেখনীয় জনগোষ্ঠী হ'ল— মংগোলীয় লোকসকল। অসমীয়া সংস্কৃতিৰ ভেটি নির্মাণৰ ক্ষেত্ৰত অসমত বাস কৰা মংগোলীয় জনগোষ্ঠীৰ লোকসকলৰ অৱদান এক উল্লেখনীয় দিশ। অসমৰ মুঠ জনসংখ্যাৰ অধিক সংখ্যক অধিবাসীসকল হ'ল মংগোলীয় লোকসকল।

অসমীয়া সংস্কৃতিৰ প্ৰায় সকলো ক্ষেত্ৰতেই, যেনে— ভাষা, ধর্মীয় ৰীতি-নীতি, সামাজিক ৰীতি-নীতি, উৎসৱ-পার্বণ, সাজ-পাৰ, খাদ্যাভ্যাস, নৃত্য-গীত আদিত মংগোলীয় প্ৰভাৱ বা অৱদান দেখা যায়। আদিতে অসমীয়া সংস্কৃতিত মংগোলীয় লোকৰ প্ৰভাৱ বেছি আছিল যদিও কালক্ৰমত ই ক্ৰমান্বয়ে আর্য্যাকৰণ প্ৰক্ৰিয়াৰ (Aryanization) আর্য্য সংস্কৃতিৰ ফাললৈ ধাৱমান হয়। অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আদিৰ আৰম্ভ কৰি সমাজ আৰু সংস্কৃতিৰ প্ৰতিটো পদক্ষেপতে এই মংগোলীয় লোকসকলৰ উপাদানসমূহে ঐতিহাসিক সমন্বয় সাধন কৰিছে।

বাণীকান্ত কাকতি, লীলা গগৈ, নবীন চন্দ্ৰ শর্মা, নাহেন্দ্ৰ পাদুন প্ৰভৃতি ভাষা-সাহিত্য-সংস্কৃতিৰ পণ্ডিতসকলে অসমীয়া জাতীয় জীৱনত জনগোষ্ঠীসমূহৰ অৱদান সম্পর্কত বিশদভাৱে আলোচনা আগবঢ়াইছে।

অসমৰ সংস্কৃতিৰ ওপৰত মংগোলীয় জনগোষ্ঠীসমূহৰ প্ৰভাৱ বিভিন্ন স্তৰত পৰিলক্ষিত হয়। তাৰ ভিতৰত মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য দিশত পৰিলক্ষিত হোৱা প্ৰভাৱবোৰৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।

৫.৬.১ মৌখিক সাহিত্য

মৌখিক লোক-সাহিত্যৰ ক্ষেত্ৰত অসমৰ লোক-সংস্কৃতি অতি চহকী। এই ৰাজ্যৰ চৌদিশে লুকাই থকা অসংখ্য লোককবিতা, লোককাহিনী, লোকোক্তি, লোক-ভাষা আদিয়েও মৌখিক সাহিত্যৰ ঐশ্বর্যশালীতাৰ বিষয়ে সোঁৱৰাই দিয়ে। মংগোলীয় জনগোষ্ঠীৰ লোকসকলে মৌখিক সাহিত্যৰ বিকাশত বিভিন্ন অৱদান আগবঢ়াইছে।

অসমীয়া লোকগীতৰ অন্যতম শ্ৰেণী বিহু গীত আৰু হুঁচৰি গীত নিশ্চিতভাৱে

অনা-আর্য্যসকলৰ অৱদান। সোণোৱালসকলৰ হাইদাং গীত অসমীয়া পুৰাণগত মালিতাৰ অপূর্ব নিদর্শন। পাতি ৰাভাসকলৰ মাৰে গানৰ লগত জড়িত বিষহৰী গীত, বহুৰাঙী গীত আদিৰেও অসমীয়া মৌখিক সাহিত্য বৈশিষ্ট্যপূর্ণ হৈ উঠিছে।

জন্তু বিষয়ক অসমীয়া সাধুকথাৰ সৃষ্টিত বড়ো-কছাৰীসকলৰ সাংস্কৃতিক অৱদান লক্ষ্যণীয়। টেটোন জাতীয় সাধুকথাৰ পৰম্পৰা অসমীয়া লোক-সাহিত্যলৈ আহিছে মংগোলীয় লোকসকলৰ পৰা।

অসমীয়া তন্ত্র-মন্ত্র, বিহু গীত, আইনাম, ফকৰা-যোজনা, প্রবাদ-প্রবচন আদি মংগোলীয় জনগোষ্ঠীৰ লোকসকলৰ বিষয়বস্তুৰ ঠাঁচ আৰু প্রকাশভঙ্গীৰ ৰেঙণি দেখিবলৈ পোৱা যায়। পিছে এই ৰেঙণি কিমান পৰিধিলৈ বিয়পিছে সেই বিষয়ে সঠিককৈ নির্ণয় কৰা সহজ নহয়।

৫.৬.২ ভৌতিক সংস্কৃতি

অসমৰ ভৌতিক সংস্কৃতি মংগোলীয়(মঙ্গোলীয়)সকলৰ বিবিধ উপাদানেৰে ভৰপূৰ হৈ আছে। লোক-ৰন্ধন প্রণালী, লোক-স্থাপত্যবিদ্যা, লোক-আভৰণ, লোক-শিল্প, লোক-কলা আদিকে ধৰি নিত্য প্রয়োজনীয় সকলো আচবাব নির্মাণ কৰা প্রণালী আদি ভৌতিক সংস্কৃতিৰ ভিতৰুৱা। অসমীয়া সংস্কৃতিৰ এই দিশবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে মংগোলীয়সকলৰ এইবোৰ দিশত যথেষ্ট অৱদান আছে।

বাঁহ মঙ্গোলীয় সংস্কৃতিৰ অৱদান। অসমীয়া মানুহবোৰৰ জীৱনৰ এনে এটা দিশ নাই য'ত বাঁহৰ প্রয়োজন নাই। ঘৰ-দুৱাৰ নির্মাণ, খাট-চাং-চিলিং আদি সজা, বিভিন্ন প্রকাৰৰ ঢাৰি, বহা আসন, বস্তু থোৱা চুঙা, পানী খোৱা চুঙা, মূৰ ফণিওৱা ফণি বা কাকৈ, কাণত পিন্ধা আৰু চুলিত মৰা অলঙ্কাৰ, শৰাই, ঠগি, মাছ ধৰা বিভিন্ন সঁজুলি, বাদ্যযন্ত্র (বাঁহী, পেঁপা, টকা আদি), অস্ত্র-শস্ত্র, হেতা, হেঙাৰ, বেৰা, ডলা-চালনী, বিচনী-খৰাহী, খুকুৰি-পাচি, খালৈ-খোকা, খৰি আদি নানান কামত অসমীয়া লোকে বাঁহ ব্যৱহাৰ কৰে। আনকি জীৱনৰ শেষ কৃত্য শৱ দাহনতো বাঁহ খৰিৰ অতিকে প্রয়োজন। সেয়েহে 'দেহ-বিচাৰৰ গীত'ত কোৱা হৈছে—

"বাৰীৰে পিছৰে জাতি বাঁহে জুপি
সেয়ে মোৰ সোদৰৰ ভাই।"

লোক-ৰন্ধন প্রণালীতো বাঁহৰ ব্যৱহাৰ অন্যতম। বাঁহ গাজৰ খৰিচা আৰু গাজৰ পৰা প্রস্তুত কৰা খাৰৰ আঞ্জাৰ জুতি খাওঁতাজনে কোনোদিনে পাহৰিব নোৱাৰে। মাঘ বিহুত কোমল বাঁহৰ চুঙাত তিওৱা বৰা চাউল ভৰাই পোৱা চুঙা-চাউলৰ সোৱাদ সকলোৱে জানে। অসমীয়া সমাজত বাঁহৰ ব্যৱহাৰ আৰু প্রয়োজনীয়তাৰ কথা কৈ শেষ কৰিব নোৱাৰি। খাদ্য সামগ্রীৰ ভিতৰত লফা, ঢেকীয়া শাক, ফটিকা, লাউপানী আদিৰ প্রচলন মংগোলীয় জনগোষ্ঠীৰ লোকৰ পৰাই আহিছে। তেওঁলোকে জালেৰে

গাহৰি, বাঘ, হৰিণ আদি চিকাৰ কৰিছিল।

পুৰুষ-স্ত্রী সমানে পথাৰত আৰু ঘৰত কাম-বন কৰা, এড়ি আৰু পাটৰ সূঁতা কটা, তাঁতশালত কাপোৰ বোৱা আদিও তেওঁলোকৰ বৃত্তি আছিল। বিভিন্ন উৎসৱ-অনুষ্ঠানত ব্যৱহাৰ কৰা বাদ্যযন্ত্র, যেনে— ভোৰতাল, গগনা, ডবা, চিফুং, বাঁহী আদিও মংগোলীয়সকলৰ অৱদান। (লক্ষ্যণীয় যে এড়ি-মুগাৰ পলু পোহা, পলুৰ লেটা আৰু কপাহৰ সূঁতা কাটি কাপোৰ বোৱা প্রথা বড়ো-কছাৰীসকলৰ পৰা গ্রহণ কৰা।)

ব্রহ্মপুত্র উপত্যকাত এওঁলোকেই প্রথমে গ্রাম্য সভ্যতা গঢ়ি তুলিছিল বুলি গৱেষকসকলে মন্তব্য কৰিছে।

শঙ্কৰদেৱৰ সূত্রধাৰী পাগুৰিৰ বড়ো, খাচী, তিৱা আদিয়ে পৰিধান কৰা পাগুৰিৰ লগত বিশেষ সাদৃশ্য পৰিলক্ষিত হয়। অসমীয়া মানুহে নিত্য ব্যৱহাৰ কৰা পোছাক-পৰিচ্ছদ, আ-অলঙ্কাৰৰ ক্ষেত্রতো মঙ্গোলীয় গোষ্ঠীৰ অৱদান লক্ষ্যণীয়। সর্বভাৰতীয় নাৰীৰ পোছাক হ'ল 'শাৰী' এখন কাপোৰ। কিন্তু অসমৰ নাৰীয়ে সাজপাৰত দুখন বা ততোধিক কাপোৰ পৰিধান কৰা দেখা যায়। মেখেলা, চাদৰ, ৰিহা আদিও মঙ্গোলীয় বা আন জনজাতীয় প্রভাৱৰ ফলত হোৱা। তদুপৰি কাপোৰৰ হালধীয়া, ৰঙা, কলা, আদি ৰঙৰ ব্যৱহাৰ কৰি কৌণিক, ত্রিভূজাকাৰ, চতুর্ভূজাকাৰ, সৰলৰৈখিক আদি বিভিন্ন ধৰণৰ চৰাই, পশু, ফুল আদিৰ চানেকি তোলা আৰ্হিও জনজাতিসকলৰ পৰা অহা।

অসমৰ ভৌতিক স্থাপত্য কলাতো জনজাতীয়/মংগোলীয় প্রভাৱ পৰিলক্ষিত হয়। ঘৰ-দুৱাৰৰ নির্মাণ পদ্ধতি, তঙিৰ পৰম্পৰা আদিত মঙ্গোলীয়সকলৰ অৱদান অনুমেয়। কার্বিসকলে ভৈয়ামত বাঁহ, খেৰ আৰু কাঠেৰে ঘৰ সজাৰ নিদর্শন দেখুৱাইছিল। অসমীয়া চিত্রকলাৰ পৰম্পৰাতো মঙ্গোলীয় উপাদানৰ স্থিতি লক্ষ্য কৰিব পাৰি।

অসমীয়া সমাজৰ বন্ধনশালত সততে প্রাপ্ত মাছ-মঙহ খোৱা প্রথা, শুকান মাছৰ ব্যৱহাৰ আদিৰ মূলতে মংগোলীয়সকলৰ প্রভাৱ সুস্পষ্ট।

বর্তমান অসমৰ সংস্কৃতিৰ প্রতীক হিচাপে গ্রহণ কৰা 'জাপি' মূলতঃ মংগোলীয়সকলৰ পৰা অহা।

৫.৬.৩ সামাজিক লোকাচাৰ

অসমৰ ধর্মীয় আৰু সামাজিক ৰীতি-নীতি, ধর্ম, উৎসৱ-পার্বণ, লোকবিশ্বাস আদিৰ ক্ষেত্রতো মংগোলীয় প্রভাৱ বিদ্যমান। আর্য্য হিন্দু ধর্মত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ইত্যাদি বিভিন্ন ভাগ আছে যদিও এইবোৰত প্রাচীন কালৰে পৰা জনজাতীয় সমাজত প্রচলিত নানান লোকবিশ্বাস আৰু আচাৰ সোমাই পৰিছে। অসমত ব্রাহ্মণ, কলিতা, কায়স্থ আদি উচ্চবর্ণৰ হিন্দুসকলে আমিষভোজী হৈ পৰাৰ ক্ষেত্রতো মংগোলীয়সকলৰ প্রভাৱৰ ফল বুলি ক'ব পাৰি। কামাখ্যা প্রথমে অষ্ট্রিকসকলৰ মৰিশালি আছিল। তাৰ

পিছত মৰিশালিৰ দেৱী, তাৰ পিছত বড়োসকলৰ উপাস্য দেৱী আৰু পিছত হিন্দুসকলৰ পীঠস্থানত পৰিণত হ'ল। অসমৰ অন্যান্য মন্দিৰ বা দেৱালয় কিছুমানত হিন্দু বা আর্য্য বহির্ভূত কিছুমান আচাৰ-বিচাৰ, ৰীতি-নীতি, যেনে— বলি-বিধান, তন্ত্র-মন্ত্র ইত্যাদি মংগোলীয় সংস্কৃতিৰ ধর্মীয় উপাদানৰ ফল।

কোনো কোনো পণ্ডিতৰ মতে— কেঁচাইখাইতিৰ পূজা আৰু নৰবলি প্রথাও মূলতঃ এই মংগোলীয় গোষ্ঠীৰ লোকেই প্রৱর্তন কৰিছে। দেৱী-পূজাৰ সময়ত যিবোৰ অনুষ্ঠান দেখা যায়, তাত মংগোলীয় সংস্কৃতিৰ যথেষ্ট সমল দেখা পোৱা যায়।

অসমৰ উৎসৱ-পার্বণসমূহতো মংগোলীয় সংস্কৃতিৰ প্রভাৱ স্পষ্ট। অসমৰ জাতীয় উৎসৱ বিহু বিভিন্ন জনজাতিৰ সংস্কৃতিৰ সংমিশ্রণৰ ফল বুলিব পাৰি। বিহুত গৰু গা ধোওৱা কার্য মূলতে বৈদিক সংস্কৃতিৰ প্রভাৱ যেন লাগিলেও প্রকৃততে সেয়া কৃষিজীৱী লোকৰ আচাৰহে। বিহুৱান, ভোজন আদিও মংগোলীয় সংস্কৃতিৰ দান। তদুপৰি বিহুত ব্যৱহাৰ কৰা বিভিন্ন বাদ্যযন্ত্র, যেনে— টকা, পেঁপা, গগনা, বাঁহী, ঢোল ইত্যাদি মংগোলীয়সকলৰ অৱদান।

অসমৰ অন্যান্য ঋতুকালীন উৎসৱ, যেনে— ভঠেলি, পাওৰাতোলা, দেউল, মহোহো, বাম্বোল পিতা, হুদুম পূজা ইত্যাদিতো মঙ্গোলীয় সংস্কৃতিৰ সমল নিহিত হৈ আছে। মাঘ বিহুত চুঙাপিঠা খোৱা পৰম্পৰা আহিছে মংগোলীয় সংস্কৃতিৰ পৰা। অসমীয়া বিহুৰ বিভিন্ন ৰীতি-নীতি, বিশ্বাস আৰু আচাৰ-অনুষ্ঠানত মঙ্গোলীয় উৎসৱ অনুষ্ঠানত মংগোলীয় সংস্কৃতিৰ উপাদান নিহিত থকা স্বাভাৱিক।

এইবোৰৰ উপৰি বিভিন্ন ধৰণৰ বিবাহ-পদ্ধতিৰ লগত জড়িত আচাৰ, বর্ণহীন, শ্রেণীহীন সমাজ পদ্ধতি ইত্যাদিবোৰতো বিভিন্ন জনজাতীয় প্রভাৱ বিদ্যমান। অসমীয়া বিবাহৰ বিভিন্ন নীতি-নিয়মো মঙ্গোলীয় সমলৰ পৰা লোৱা বুলি ক'ব পাৰি। সামূহিক জীৱন-পদ্ধতিৰ বিভিন্ন ৰীতি-নীতি অসমীয়া সংস্কৃতিলৈ মংগোলীয়সকলৰ পৰা অহা। যৌথ পৰিয়াল ব্যৱস্থা, বিপদ-আপদ, ৰং-আনন্দ, বিয়া, মৃতকৰ শ্রাদ্ধ, পথাৰত একেলগে হাল বোৱা, একেলগে ধান ৰোৱা, লগ ভাত খোৱা ইত্যাদি নিয়ম মঙ্গোলীয়সকলৰ বিবাহ-বিচ্ছেদ, বিধৱা-বিবাহ (ধেমনা অনা), ঢোকা থকা, কন্যাক গা-ধন দিয়া, ছোৱালী পলুৱাই নিয়া, ঘৰচীয়া খাটি ছোৱালী বিয়া কৰোৱা আদি প্রথাবোৰো মূলতঃ এই গোষ্ঠীৰ লোকসকলৰেই প্রথা বা নিয়ম। বর্তমান বিয়াত হেঙাৰ দিয়া প্রথাও মংগোলীয়ৰ পৰা অহা বুলি অনুমেয়।

কিছুমান লোকবিশ্বাস, যেনে— শনিবাৰে মঙ্গলবাৰে বাঁহ কাটিব নাপায়— এই নিয়ম মংগোলীয়সকলৰ পৰাই অসমীয়া সমাজত প্রচলিত হৈছে। অসমৰ লোকজীৱনত প্রচলিত ঔষধ-পাতি, বেজ-বেজালি আদিতো মংগোলীয় লোকবিশ্বাস আৰু বেজ-বেজালিৰ সমল নিহিত হৈ আছে। দেওঁ-ভূত, মাৰি-মৰক, অপায়-অমঙ্গলৰ পৰা হাত সৰাৰ ব্যৱস্থা দিয়াৰ উদ্দেশ্যে মঙ্গলতীৰ মঙ্গল চোৱাৰ (ঠিকনা চোৱা) যি

ব্যৱস্থা প্রচলিত সিও এই গোষ্ঠীৰ লোকৰেই অৱদান।

৫.৬.৪ লোক-পৰিৱেশ্য কলা

পৰম্পৰাগতভাৱে চলি অহা সঙ্গীত, নৃত্য, নাট আদি কলাৰ সমষ্টিয়েই হ'ল লোক-পৰিৱেশ্য কলা। লোক-পৰিৱেশ্য কলাতো মংগোলীয় লোকসকলৰ অৱদান দেখিবলৈ পোৱা যায়।

ভাষাবিদ, সাহিত্য সমালোচক সুনীতি কুমাৰ চট্টোপাধ্যায়ে এঠাইত উল্লেখ কৰিছে যে— চীনে পৰিব্ৰাজক হিউৱেন চাঙক আপ্যায়িত কৰিবৰ কাৰণে কুমাৰ ভাস্কৰ বর্মাৰ ৰাজসভাত 'মহাচীনৰ কোঁৱৰৰ ৰণজয়' নামৰ এটি চীনা গীত পৰিৱেশন কৰোৱা হৈছিল। তেওঁ উল্লেখ কৰিছে যে এই চীনা গীতৰ সুৰতো অসমত অধিক জনপ্রিয় হৈছিল। মংগোলীয় লোকসকলে অসমত প্ৰৱেশ কৰাৰ লগে লগে তেওঁলোকৰ গীত-মাতো অসমত প্ৰৱেশ কৰিছিল আৰু এনে গীত-মাতৰ সুৰে অসমৰ থলুৱা গীতৰ সুৰতো প্রভাৱ বিস্তাৰ কৰিছিল। অসমীয়া লোকগীতৰ বিভিন্ন সুৰৰ লগতে চর্যাপদ, ওজাপালি, বৰগীত আদিতো মংগোলীয় লোকগীতৰ প্রভাৱ চেগাচোৰোকাকৈ পৰা দেখা যায়। অসমীয়া সমাজত প্রচলিত গায়ন পদ্ধতিত মংগোলীয় লোকসকলৰ গায়ন পদ্ধতিৰ প্রভাৱ স্পষ্ট হোৱাৰ লগতে বিহুগীতৰ নৃত্যৰ শৈলীতো পৰা প্রভাৱ সহজে অনুমান কৰিব পাৰি। বড়ো-কছাৰীৰ বৈছাগু গীতৰ লগত অসমীয়া বিহুনামৰ মিল লক্ষ্যণীয়।

পাতি ৰাভাসকলৰ 'ভাৰীগান' অসমীয়া লোক-পৰিৱেশ্য কলাত এক অনবদ্য অৱদান। অসমীয়া সংস্কৃতিৰ প্রচলিত মাদল ঢোল, ঢেপা ঢোল, বৰঢোল আদিৰ লগত জড়িত নৃত্য-গীত আদিত মংগোলীয় প্রভাৱ স্পষ্ট।

মনসা পূজাৰ লগত প্রচলন থকা দেওধা বা দেওধানী নাচো পুৰণি কালৰে পৰা অসমত প্রচলিত। বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্রনাথ শর্মাই দেওধানী নৃত্য কছাৰী লোকসকলৰ মাজত উদ্ভৱ হোৱা বুলি কৈ গৈছে।

৫.৬.৫ ভাষা সাহিত্য আৰু অন্যান্য দিশত অৱদান

অসমীয়া ভাষা মূলতে ভাৰতীয় আর্য্য ভাষাৰ পৰা উদ্ভৱ হোৱা যদিও বহুযুগ ধৰি জনজাতীয় ভাষা-ভাষীৰ সহ-অৱস্থানৰ ফলত অসমীয়া ভাষাৰ ওপৰত জনজাতীয় প্রভাৱ পৰিবলৈ ধৰে। ভাষাবিদ বাণীকান্ত কাকতিয়ে তেওঁৰ "Assamese its Formation and Development" নামৰ গৱেষণা গ্রন্থখনত জনজাতীয়সকলৰ প্রভাৱৰ কথা উদাহৰণেৰে সৈতে দেখুৱাইছে। আন জনজাতিসকলৰ তুলনাত তিব্বত-বর্মীয় ভাষিক গোষ্ঠীৰ প্রভাৱ অসমীয়া ভাষাত সর্বাধিক। ভাষাৰ ধ্বনিগত, ৰূপগত,

শব্দভাণ্ডাৰ এই তিনিওটা দিশতেই মংগোলীয় উপাদান লক্ষণীয়। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি পোৱাটো আৰু হ্ৰস্ব আৰু দীর্ঘ স্বৰৰ বহু পার্থক্যহীনতা আদি কথাত মংগোলীয় উপাদান লক্ষ্য কৰা যায়।

সেইদৰে উষ্ম ধ্বনি— তালব্য 'শ', মুর্দ্ধণ্য 'ষ', দন্ত্য 'স' আৰু তালব্য চ, ছ, জ, ঝ, ঞ —এই আটাইবোৰ দন্ত্যমূলীয় ধ্বনি হিচাপে উচ্চাৰণ কৰা হয়। শব্দৰ মাজত আৰু শেষত থকা শ, ষ, স —এইকেইটা 'খ'ৰ দৰে উচ্চাৰিত হয়। ৰূপতাত্ত্বিক দিশতো এনে পৰিৱর্তন পৰিলক্ষিত হয়। অসমীয়া ভাষাৰ পঞ্চমী বিভক্তি; মতা-মাইকী শব্দ যোগ দি লিঙ্গ সূচোৱা; নির্দিষ্টতাবাচক প্রত্যয়— জন-জনী, খন, টো, ডাল আদি সংযোগ কৰা ইত্যাদি মংগোলীয় ভাষাৰ প্রভাৱত গঢ় লোৱা বুলি অনুমান কৰা হয়। বলম, পেখম, ৰাংচা, ধেপচা, দহেচীয়া, খৰচীয়া আদি শব্দত যোগ হোৱা -ম, -চা, -চীয়া আদি অনুসর্গ বড়ো ভাষাৰ পৰা আহিছে বুলি অনুমান কৰা হৈছে। সম্বোধনবাচক শব্দত থকা অনুসর্গ এৰা, এৰ্, এক্ (ককায়েৰা, ককায়েক, ককায়েৰ ইত্যাদি) দেউৰী, চুতীয়া ভাষাৰ পৰা আহিছে।

শব্দ ভাণ্ডাৰ সম্পর্কতো বাণীকান্ত কাকতিয়ে খাচী, বড়ো, আহোম আদিৰ ভাষাৰ সমকক্ষ বহু অসমীয়া শব্দৰ উদাহৰণ দিছে। বড়ো আৰু আহোম ভাষাৰ স্থানবাচক শব্দ আৰু নদীবাচক শব্দ আৰু খাচী ভাষাৰ শব্দই অসমীয়া ভাষাক চহকী কৰিছে।

অসমীয়া ভাষাই মংগোলীয় ভাষাৰ প্রভাৱত আন ভগ্নী ভাষা, যেনে— উড়িয়া, বাংলা, হিন্দী আদিৰ পৰা পৃথক হোৱা পৰিলক্ষিত হয়।

অসমীয়া সাহিত্য জগতৰ ক্ষেত্রতো প্রাচীন কালৰ পৰা জনজাতিসকলৰ অৱদানৰ কথা বুৰঞ্জীত উল্লেখ আছে। লোকভাষাৰ সংৰক্ষিত সাহিত্যৰ অমূল্য সম্পদৰাজি আৰু শব্দ সম্ভাৰেৰে চিৰসমৃদ্ধ সমলৰাজি পৰিবর্দ্ধিত হৈ মান্য ভাষাৰ ৰূপদানত মংগোলীয় অৱদান যোগায়। এই সম্পর্কে পর্যালোচনা কৰি সাহিত্য সমালোচক সত্যেন্দ্রনাথ শর্মাই তেওঁৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্রন্থত এষাৰ তাৎপর্য্যপূর্ণ মন্তব্য দিছে— "ভাষাই যেতিয়া ভাব, অনুভূতি আৰু অৱস্থা প্রকাশ কৰিব পৰা শক্তি অর্জন কৰে আৰু উচ্চাৰণ কৰা বিভিন্ন ধ্বনি বুজাবলৈ সাঙ্কেতিক চিহ্ন বা হৰফ সৃষ্টি কৰি লিখাৰ পদ্ধতি প্রৱর্তন কৰে, তেতিয়াৰ পৰাহে সাহিত্যৰ প্রকৃত বুৰঞ্জী আৰম্ভ হয় বুলি ক'ব পাৰি।"

লিখিত সাহিত্য সৃষ্টিৰ ক্ষেত্রতো মংগোলীয় সংস্কৃতিৰ অৱদান স্বীকাৰ কৰিব লাগিব। অসমীয়া সাহিত্য কাননৰ ঘাই মালী হ'ল— অনার্য্য ৰজা-মহাৰজাসকল। প্রাক্-শঙ্কৰী যুগৰ পৰা শঙ্কৰোত্তৰ যুগলৈ যিমানবোৰ গ্রন্থৰ অনুবাদ হৈছিল, সেই গ্রন্থকাৰসকলক পৃষ্ঠপোষক কৰা প্রায়ভাগ নৃপতি অনার্য্য বা মংগোলীয় জনগোষ্ঠীৰ আছিল। প্রথম অসমীয়া লিখিত সাহিত্য মাধৱ কন্দলিৰ *ৰামায়ণ* গ্রন্থ ৰচনাৰ অন্তৰালত আছিল ৰৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা। কোচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ

ৰাজসভাৰ আশ্রয়ত থাকি শঙ্কৰদেৱ, মাধৱদেৱে বিপুল সাহিত্য সম্ভাৰ ৰচনা কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ অনুপ্রেৰণাতেই ৰাম সৰস্বতীয়ে *মহাভাৰতৰ* বেছিভাগ শ্লোকেই অসমীয়া পদলৈ অনুবাদ কৰে। কমতাপুৰৰ দুর্ল্লভ নাৰায়ণৰ পুতেক ইন্দ্রনাৰায়ণ, শ্রীমন্ত তাম্রধ্বজ আদিয়ে প্রাক্-শঙ্কৰী যুগৰ কবিসকলৰ পৃষ্ঠপোষক আছিল। তাম্রধ্বজ নাৰায়ণৰ পত্নী আৰু সুদর্শ নাৰায়ণৰ মাতৃ ৰাণী চন্দ্রপ্রভাই ভূৱনেশ্বৰ বাচস্পতিৰ হতুৱাই সংস্কৃত *নাৰদীয় কথামৃত* গ্রন্থখনি অসমীয়া ভাষালৈ অনুবাদ কৰাইছিল। মূল কথাত ক'বলৈ হ'লে তিব্বত-বর্মীয় ৰজা-মহাৰজাসকলৰ সাংস্কৃতিক অৱদানেৰে অসমীয়া সাহিত্য চিৰঞ্জীৱ হৈ আছে।

আধুনিক অসমীয়া লিখিত সাহিত্যতো মংগোলীয় লেখকৰ বৰঙণি কম নহয়। বহুতো মংগোলীয় লেখকে অসমীয়া ভাষাত সাহিত্য চর্চা কৰাৰ লগতে তেওঁলোকৰ নিজস্ব সংস্কৃতি বিষয়ক পুথি আৰু প্রবন্ধ-পাতিও লিখিছে। এই ধৰণৰ লেখাইও অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত অৰিহণা যোগাইছে।

বড়োৰ স্বর্গীয় ৰূপনাথ ব্রহ্ম (অসমৰ প্রাক্তন মন্ত্রী), ভবেন নাজী, স্বর্গীয় সীতানাথ ব্রহ্মচৌধুৰী (অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি)ৰ নাম উল্লেখযোগ্য। ৰাভাৰ মণি ৰাভা, ৰাজেন ৰাভা; কছাৰীৰ মেদিনী চৌধুৰী, যোগেশ দাস; কার্বিৰ ৰংবং তেৰাং, লংকাম টেৰন ইত্যাদি উল্লেখযোগ্য। লালুং বা তিৰা জনজাতিৰো কেবাজনো লেখকে অসমীয়া ভাষা-সাহিত্যলৈ প্রবন্ধ-পাতিৰে অৰিহণা যোগাই আহিছে। বলাইৰাম সেনাপতি, পদ্ম পাটৰ, ধর্মৰাম ৰৰদলৈ, মহীৰাম ৰৰদলৈৰ নাম এই ক্ষেত্রত উল্লেখনীয়। মংগোলীয় জনজাতিসকলৰ ভিতৰত মিৰি বা মিচিংসকলো অন্যতম। অন্যান্য জনজাতিৰ লেখকসকলৰ দৰে মিচিং লেখকসকলৰ কেইবাজনেও মৌলিক সাহিত্য ৰচনা কৰি অসমীয়া ভাষা-সাহিত্য চহকী কৰিছে। তেওঁলোকৰ ভিতৰত স্বর্গীয় তৰুণ চন্দ্র পামেগাম, ভৃগুমণি কাগয়ুং, নাহেন্দ্র পাদুনে অসমীয়াত সৃষ্টিধর্মী সাহিত্য ৰচনা কৰি খ্যাতি লভিছে।

মুঠতে অসমীয়া সাহিত্যৰ বেদীত বহুতো মংগোলীয় লেখকে তেওঁলোকৰ ভাষা-সাহিত্য-সংস্কৃতিৰ লেখনিৰ জৰিয়তে যোড়শোপচাৰ আগবঢ়াইছে। তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি মংগোলীয় সমাজ-সংস্কৃতিত বাদেও বৃহত্তৰ অসমৰ চিত্র প্রতিফলিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মংগোলীয় জনগোষ্ঠীৰ চমু আভাস দাঙি ধৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৬ ঃ মংগোলীয় জনগোষ্ঠীটোৰে অসমীয়া সংস্কৃতিৰ কোনবোৰ দিশত অৱদান

আগবঢ়াইছে বহলাই লিখক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৭ঃ অসমৰ ভৌতিক সংস্কৃতিলৈ জনগোষ্ঠীৰ অৱদান শীর্ষক এক চমু আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমলৈ পোনতে প্রব্রজন কৰা নৃগোষ্ঠীটো হ'ল অষ্ট্রেলীয়। এই গোষ্ঠীটোৱে প্রাক্-ঐতিহাসিক কালতে অসমত প্রৱেশ কৰিছিল। এই গোষ্ঠীটোক ভিন্ন নামেৰে নামকৰণ কৰা হৈছে— প্রাক্-দ্রাবিড়, প্রাক্-অষ্ট্রেলীয়, ভেদ্দিদ, নিষাদ।
- অষ্ট্রেলীয় গোষ্ঠীটোক পৰৱর্তী কালত অষ্ট্রিক হিচাপে নামকৰণ কৰা হয় আৰু অষ্ট্রেলীয় সকলৰ ভাষা-সংস্কৃতিয়ে অষ্ট্রিকৰ ভাষা-সংস্কৃতি বুলি পৰিগণিত হয়।
- মঙ্গোলীয়, ককেচীয় প্রজাতিৰ দৰে অষ্ট্রেলীয় প্রজাতিৰ লোকৰ প্রব্রজন বহুদিনলৈকে হৈ থকা নাছিল। এসময়ত অসমলৈ প্রব্রজন কৰি এটা সময়ত সম্পূর্ণৰূপে বন্ধ হৈ গৈছিল। পৰৱর্তী সময়ত অসমলৈ প্রব্রজন কৰা মঙ্গোলীয়, ককেচীয়ৰ সৈতে সংমিশ্রিত হৈ গৈছিল। সেইবাবে অসমীয়া সংস্কৃতিলৈ এই প্রজাতিৰ সাংস্কৃতিক প্রভাৱ সীমিত হৈ ৰ'ল।
- অসমীয়া ভাষালৈ অষ্ট্রিক ভাষাৰ অৱদান বিশেষভাৱে লক্ষণীয়।
- অষ্ট্রিক সমাজখন মাতৃতান্ত্রিক প্রথাৰ। এই প্রথাত নাৰীৰ সকলো ক্ষেত্রতে প্রাধান্য দেখা যায়। অসমীয়া সমাজতো নাৰীৰ ভূমিকা উল্লেখযোগ্য।
- অসমীয়া সমাজত নদ-নদী, বৃক্ষ, শিল আদিক দেৱতাৰূপে পূজা কৰাৰ গুৰিতে হ'ল অষ্ট্রিক সমাজৰ জীৱবাদত থকা বিশ্বাস।
- এই অধ্যায়টিৰ অধ্যয়নে আমাক মংগোলীয় ভাষিক গোষ্ঠীসমূহৰ সাধাৰণ পৰিচয় লাভ কৰাত সহায় কৰিলে। এই ভাষাগোষ্ঠী চীন-তিব্বতীয় ভাষা পৰিয়ালৰে শাখা। মংগোলীয় জনগোষ্ঠীৰ লোকসকল আদিতে হোৱাংহো আৰু ইয়াং চিকিয়াং নদীৰ ওচৰৰ চীন দেশৰ উত্তৰ-পশ্চিম অঞ্চলৰ বাসিন্দা আছিল বুলি কোৱা হয়। এই গোষ্ঠীৰ অন্তর্গত কেইটামান বিশেষ ভাষা, যেনে— বড়ো, ৰাভা, কার্বি, মিচিং, ডিমাছা আদি।

  ● অসমীয়া সংস্কৃতিত মংগোলীয় জনগোষ্ঠীৰ অৱদান কিমান আৰু কেনে ধৰণৰ সেই বিষয়েও এই অধ্যায়টিৰ পৰা আমি জানিব পাৰিলোঁ। বর্তমান মংগোলীয় জনগোষ্ঠীৰ অন্তর্গত বড়ো, ৰাভা, কার্বি, তিৱা, মিচিং আদি ভাষিক লোকসকলৰ বাসস্থান সম্পর্কেও জনাত সহায় কৰিলো।

  ● বৃহৎ অসমীয়া সংস্কৃতিক সুপ্রতিষ্ঠিত কৰি লোক-সংস্কৃতিৰ বিভিন্ন বিভাগ, যেনে— মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা আৰু ভাষা-সাহিত্য আৰু অন্যান্য দিশত নতুন মাত্রা দান কৰাৰ কথা এই অধ্যায়টিৰ পৰা জানিব

পৰা গ'ল।

● অসমীয়া সমাজত পূজিত বিভিন্ন দেৱ-দেৱী; এই দেৱ-দেৱীৰ পূজা-অৰ্চনা ইত্যাদি দিশতো আগবঢ়োৱা মংগোলীয় জনগোষ্ঠীৰ অৱদানৰ কথা এই অধ্যায়টিতে আলোচনা কৰা হ'ল। কামাখ্যা দেৱী পোনতে অষ্ট্রিকসকলৰ মৰিশালি, পিছলৈ বড়োসকলৰ উপাস্য দেৱী, তাৰ পিছত হিন্দুসকলৰ পীঠস্থানত পৰিণত হ'ল। অসমৰ অন্যান্য মন্দিৰবোৰত কিছুমান আচাৰ-বিচাৰ, ৰীতি, যেনে— বলি-বিধান, তন্ত্ৰ-মন্ত্ৰ ইত্যাদি মংগোলীয় সংস্কৃতিৰ ধৰ্মীয় উপাদানৰ ফল।

● অসমীয়া ভাষা-সাহিত্যৰ পথাৰখনত মংগোলীয় জনগোষ্ঠীৰ উপাদানৰ কথা এই অধ্যায়টিৰ জৰিয়তে জানিব পৰা গ'ল। অসমীয়া ভাষাক ভগ্নীস্থানীয় ভাষাৰ পৰা পৃথক কৰা ভাষিক গোষ্ঠীটোৱেই হ'ল মংগোলীয় ভাষিক গোষ্ঠী। অসমীয়া ভাষাত দন্ত্য-মূৰ্দ্ধণ্যৰ পাৰ্থক্য ভেদ কৰি দন্ত্যমূলীয় ধ্বনিৰ ব্যৱহাৰ এই গোষ্ঠীৰ অৱদান। নদী, পৰ্বত, স্থান আদিৰ নাম বড়োসকলৰ পৰা অহা। সাহিত্যৰ ক্ষেত্ৰত জনগোষ্ঠীয় ৰজা-মহাৰজাসকলে আৰম্ভণি কালৰ অসমীয়া লেখকসকলক পৃষ্ঠপোষকতা কৰে। যেনে— প্ৰথম লিখিত সাহিত্যৰ নিদৰ্শন *ৰামায়ণ*ৰ অনুবাদক মাধৱ কন্দলিয়ে বৰাহি ৰজা-মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।

● মংগোলীয় জনগোষ্ঠীৰ লোকসকলে অসমখনক বিভিন্ন সাংস্কৃতিক অৱদানেৰে পৰিপূৰ্ণ কৰি এক বৃহৎ সংস্কৃতিৰ ৰূপ গ্ৰহণ কৰাত সহায় কৰিলে। এই অৱদান অসমীয়া সমাজত কোনোদিনে পেলাই দিব নোৱৰাকৈ হাড়ে-হিমজুৰে শিঁপাই গৈছে।



৫.৮ অধিক জানিবলৈ

১) গগৈ, লীলা (১৯৮৯); *অসমৰ সংস্কৃতি*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

২) দাস, ভুবনমোহন (১৯৮৬); *অসমৰ মানুহ*; অসম সাহিত্য সভা।

৩) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (১৯৮৮); *অসমীয়া সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

৪) পাদুন, মহেন্দ্ৰ (১৯৮৮); *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৫) বৰুৱা, বিৰিঞ্চিকুমাৰ (১৯৮৯); *অসমীয়া ভাষা আৰু সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) ৰাভা, হাকাচাম উপেন (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি*; গুৱাহাটী ঃ বাণী মন্দিৰ।

৭) শইকীয়া, নগেন (২০১৩); *অসমীয়া মানুহৰ ইতিহাস*, গুৱাহাটী ঃ কথা।

৮) শৰ্মা, নবীনচন্দ্ৰ (২০১০) (পুনৰ মুদ্ৰণ); *অসমীয়া লোকসংস্কৃতিৰ আভাস*।

৯) শৰ্মা, শশী (১৯৯৩); *অসমৰ লোকসাহিত্য*, গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্ট'ৰ্ছ।



৫.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ অসমলৈ পোনতে অষ্ট্রেলীয় নৃগোষ্ঠীয়ে প্রব্রজন কৰিছিল। এই গোষ্ঠীটোক প্রাক্-দ্রাবিড়...। তেওঁলোক শাৰীৰিকভাৱে বৰ চুটি-চাপৰ...। তেওঁলোক প্রাগৈতিহাসিক কালত অসমলৈ আহিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষালৈ অষ্ট্রিকসকলৰ অৱদান বিশেষভাৱে গুৰুত্বপূর্ণ। বিভিন্ন নদীবাচক শব্দ, পর্বত-পাহাৰৰ লগত সম্পর্কিত শব্দ, বস্ত্রশিল্পৰ লগত সম্পর্কিত শব্দ, খাদ্যৰ নাম, জীৱ-জন্তু, পোক-পতঙ্গ, গছ-গছনিৰ নাম, সম্বন্ধবাচক শব্দ, শৰীৰৰ অঙ্গ-প্রত্যঙ্গ ইত্যাদিৰ নাম অসমীয়া ভাষালৈ অষ্ট্রিকৰপৰা আহিছে। এই সম্পর্কত উদাহৰণসহ আলোচনা কৰিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ অষ্ট্রিকসকলৰ মাজত জীৱবাদ আৰু টোটেমবাদ এই দুবিধ লোকবিশ্বাস প্রচলিত আছিল। তাৰ উপৰি উর্ৰৰা লোকবিশ্বাসতো তেওঁলোকে গুৰুত্ব দিছিল। এনে বিশ্বাসসমূহ কেনে ধৰণৰ আৰু অসমীয়াত তাৰ প্রভাৱ সম্পর্কে লিখিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ অষ্ট্রিকসকলৰ মাজত মাতৃতান্ত্রিক প্রথাৰ প্রচলন আছিল। এই প্রথাৰ উপৰিও বিভিন্ন মাঙ্গলিক কার্য, মৃত্যুৰ লগত জড়িত বিভিন্ন প্রথা কিদৰে অসমীয়াত প্রচলিত সেই বিষয়ে লিখিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ মংগোলীয় ভাষিক গোষ্ঠীসমূহৰ চমু পৰিচয় নামৰ শাখাটোৰ পৰা উত্তৰটো যুগুটাই লিখিব।

৬ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া সংস্কৃতিলৈ মংগোলীয়সকলৰ অৱদান শীর্ষক শাখাটো উপশাখা পাঁচটাৰ পৰা উত্তৰটো গোটাই লিখিব।

৭ নং প্রশ্নৰ উত্তৰ ঃ উক্ত অধ্যায়টোৰ ভৌতিক সংস্কৃতি নামৰ উপশাখাটোৰ পৰা উত্তৰটো যুগুতাই লিখিব।



৫.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অষ্ট্রিক নৃগোষ্ঠীৰ শাৰীৰিক অৱয়ব কেনেকুৱা আছিল?

প্রশ্ন ২ ঃ টোটেমবাদ বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ জীৱবাদ বুলিলে কি বুজে?

প্রশ্ন ৪ ঃ উর্ৰৰা লোকবিশ্বাস লৈ অষ্ট্রিকসকলৰ কিবা অৱদান আছেনে?

প্রশ্ন ৫ ঃ অসমীয়া ভাষালৈ অষ্ট্রিকৰ অৱদান সম্পর্কে লিখক।

প্রশ্ন ৬ ঃ অসমীয়া লোকবিশ্বাস আৰু অষ্ট্রিকৰ লোকবিশ্বাসৰ মাজত থকা সাদৃশ্যসমূহ লিখক।

প্রশ্ন ৭ ঃ অসমীয়া সংস্কৃতিলৈ মংগোলীয় জনগোষ্ঠীৰ অৱদান সম্পর্কে এটি আলোচনা যুগুত

কৰক।

প্রশ্ন ৮ ঃ মংগোলীয়সকলৰ আধুনিক মৌখিক সাহিত্য সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৯ ঃ অসমীয়া সংস্কৃতিৰ অৱদান শীর্ষক এটি আলচ যুগুত কৰক।

প্রশ্ন ১০ ঃ অসমৰ স্থাপত্য-ভাস্কর্য্যৰ দিশত মংগোলীয়সকলৰ অৱদান সম্পর্কে চমুকৈ বর্ণনা কৰক।

প্রশ্ন ১১ ঃ চমুটোকা লিখক—

ক) সামাজিক লোকাচাৰৰ দিশত মংগোলীয় উপাদান

খ) ভাষা-সাহিত্যৰ দিশত মংগোলীয় উপাদান

প্রশ্ন ১২ ঃ অসমৰ খাদ্য-সংস্কৃতিৰ কোনবোৰ দিশত মংগোলীয় প্রভাৱ পৰিছে লিখক।

প্রশ্ন ১৩ ঃ নৃত্যাত্ত্বিক জাতি-গোষ্ঠীৰ বিচাৰত অসমৰ মংগোলীয় জনগোষ্ঠীৰ লোকসকলক কি গোষ্ঠীত ধৰা হয়?

*** ***** ***